**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-MAY-2026 **Time :** 1845HRS

***Assamese Evening Bulletin***

———————————————

## HEADLINES

::::::::::::::::::

১। ২০২৭ বৰ্ষৰ লোকপিয়লৰ পূৰ্বে গৃহ পঞ্জীয়ন প্ৰক্ৰিয়া সঠিক আৰু প্ৰযুক্তি সম্পন্ন কৰাৰ লক্ষ্যৰে ৰাজ্যৰ জিলা প্ৰশাসনৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ।

২। পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ উদ্যোগত গুৱাহাটীত কাইলৈ পঞ্চায়ত নেতৃত্বাধীন সেৱা প্ৰদান শীৰ্ষক এখন আঞ্চলিক কৰ্মশালাৰ আয়োজন।

৩। গুৱাহাটী উচ্চ ন্যায়ালয়ত কাইলৈ শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায়দান।

৪। দেশৰ বিভিন্ন অংশৰ লগতে অসমতো ঈদ-উজ্-জোহা পালন।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ মুখামুখি।

ooooooooo

কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ অধীনত হ'বলগীয়া ২০২৭ বৰ্ষৰ লোকপিয়ল সম্পৰ্কে ইতিমধ্যে অধিসূচনা জাৰি কৰা হৈছে। লোকপিয়লৰ পূৰ্বে গৃহ পঞ্জীয়ন প্ৰক্ৰিয়া সঠিক আৰু প্ৰযুক্তিভিত্তিক ভাবে সম্পন্ন কৰাৰ লক্ষ্যৰে ৰাজ্যৰ জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত কাছাৰ জিলা প্ৰশাসনে প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ কৰিছে। সোণাই পৌৰসভা, লক্ষীপুৰ পৌৰ সভা, বদৰপুৰ পৌৰ সভা, শিলচৰ পৌৰ সভাকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকলে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় লোকপিয়ল কাৰ্যসূচীৰ অধীনত গৃহ পঞ্জীয়ন প্ৰক্ৰিয়া অধিক ফলপ্ৰসূ আৰু স্বচ্ছ কৰি তোলাৰ লক্ষ্যৰে এই প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। প্ৰশিক্ষণ কাৰ্যসূচীত অতিৰিক্ত জিলা আয়ুক্ত তথা জিলা লোকপিয়ল বিষয়া ৰক্তিম বৰুৱাই লোকপিয়ল সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। এই সন্দৰ্ভত শিলচৰৰ সংবাদদাতা আশীৰাণী দাসে এইদৰে কয়-

-ভইচ কাষ্ট-

একেদৰে তামুলপুৰ জিলা প্ৰশাসনেও গৃহ পঞ্জীয়ন প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, গণনাকাৰী বিষয়াসকলে অহা ১৭ আগষ্টৰ পৰা ৩০ ছেপ্টেম্বৰলৈ ঘৰে ঘৰে গৈ তথ্য সংগ্ৰহ কৰিব। জনসাধাৰণে ২ আগষ্টৰ পৰা পৰ্টেল যোগে নিজৰ তথ্যসমূহ দাখিল কৰিব পাৰিব। পৰ্টেলত তথ্যসমূহ আপলোড কৰাৰ পাছত নাগৰিকে তেওঁলোকে নিজৰ নামত এটা আই ডি লাভ কৰিব। গণনাকাৰীসকল ঘৰলৈ যাওঁতে তেওঁলোকৰ হাতত সেই আই ডিটো দাখিল কৰিব লাগিব। আনহাতে, দ্বিতীয় পৰ্যায়ত জাতি ভিত্তিক তথ্য সংগ্ৰহ কৰা হ'ব। তামুলপুৰ জিলা প্ৰশাসনে জিলাখনৰ সকলো নাগৰিককে এই কাৰ্যসূচীত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে।

ধেমাজি জিলা প্ৰশাসনেও আজিৰ পৰা তিনিদিনীয়াকৈ প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ কৰিছে। ধেমাজি সংহত জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত প্ৰথমদিনাৰ প্ৰশিক্ষণ কাৰ্যসূচীত জিলা লোকপিয়ল বিষয়াকে ধৰি ভালেকেইজন বিষয়া উপস্থিত থাকে। ৰাজ্যৰ লোকপিয়ল অভিযান সঞ্চালকাৰলয়ৰ পৰা নিয়োজিত প্ৰশিক্ষকসকলে এই কাৰ্যসূচীত প্ৰশিক্ষণ আগবঢ়ায়। অহা ৩০ মে'ত এই প্ৰশিক্ষণ কাৰ্যসূচীৰ অন্ত পৰিব।

মৰিগাঁও জিলাতো লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় জিলা পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচী কালি আৰম্ভ হয়। সমাগত লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যে আয়োজিত এই প্ৰশিক্ষণ কাৰ্যসূচী ৩০ মে'লৈ চলিব। লোকপিয়ল পৰিচালনা সঞ্চালকালয়ৰ সহকাৰী সঞ্চালক সপ্তৰাজ দাস আৰু ডিপিএ দীপক বৰুৱা সমল ব্যক্তি হিচাপে উপস্থিত থাকে।

ooooooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে শিল্পী জুবিন গাৰ্গৰ হত্যাৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায় কাইলৈ প্ৰদান কৰিব। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে কাইলৈ দিনৰ ২ বজাত এই ৰায় প্ৰদান কৰিব। ইয়াৰ পূৰ্বে বাক্সাৰ জিলা কাৰাগাৰত কাৰাৰুদ্ধ হৈ থকা অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মজিয়াত কেইবাদিনো ধৰি শুনানি অনুষ্ঠিত হৈছিল। শুনানিকালত জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰাৰ বিপৰীতে ৰাজ্য চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই ইয়াৰ বিৰোধিতা কৰিছিল। উভয় পক্ষৰ যুক্তি শুনাৰ পাছত উচ্চ ন্যায়ালয়ে কাইলৈ শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায় প্ৰদান কৰিব। আনহাতে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতেও কাইলৈ অভিযুক্ত শেখৰজ্যোতি গোস্বামীৰ জামিন আবেদনৰ ৰায় প্ৰদান কৰিব।

ooooooooo

দেশৰ বিভিন্ন অংশৰ লগতে অসমতো আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ ঈদ-উজ্-জোহা পালন কৰা হৈছে। ঈদ-উজ্-জোহা উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত থকা ঈদগাহসমূহত নামাজ পঢ়া হয়।

**গুৱাহাটী** মহানগৰৰ মাছখোৱা ঈদগাহ ময়দানৰ লগতে অন্যান্য ঈদগাহ আৰু ময়দানত সমূহীয়া নামাজ অনুষ্ঠিত হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ২০০ৰো অধিক ঈদগাহত প্ৰায় ৪ লাখ লোকে ঈদৰ সমূহীয়া নামাজত ভাগ লয়। গোৱালপাৰা জিলাতো আজি পালন কৰা ঈদ-উজ্-জোহা সন্দৰ্ভত আমাৰ সংবাদদাতা ৰছিদুল হুছেইনে এইদৰে কয়—

**ভইচকাষ্ট (ৰছিদুল হুছেইন)**

একেদৰে চিৰাং, বৰপেটা, ধুবুৰী, কোকৰাঝাৰ, শ্ৰীভূমি, দৰং, শোণিতপুৰ, নগাঁও আদি বিভিন্ন জিলাৰ মছজিদ-ঈদগাহতো ভালেসংখ্যক লোকে আজি ঈদৰ সমূহীয়া নামাজত ভাগ লোৱাৰ খবৰ আমালৈ আহি আছে।

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী অতুল বৰাই ঈদ উপলক্ষে ইচলাম ধৰ্মাৱলম্বী লোকসকলক শুভেচ্ছা জনাইছে।

ooooooooo

ৰাজ্যৰ মুখ্যমন্ত্ৰী সাহাৰ্য্য পুঁজিলৈ আজি বিভিন্ন চৰকাৰী সংস্থাৰ প্ৰতিনিধিসকলে ৩০ কোটি টকাৰ অনুদান আগবঢ়ায়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে জানিবলৈ দিয়ে যে এনেধৰণৰ অনুদানে আৰ্তজনক প্ৰয়োজনীয় সহায় আগবঢ়োৱা মানবীয় পদক্ষেপক আৰু অধিক শক্তিশালী কৰি তুলিছে। ৰাজ্যবাসীয়ে সদায়েই মহান উদ্দেশ্যেত ঐক্যবদ্ধ প্ৰচেষ্টাৰে সহায়ৰ হাত আগবঢ়াই সামাজিক দায়িত্ব পালন কৰি আহিছে বুলি তেওঁ কয়।

ooooooooo

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰ কাইলৈৰ পৰা পৰ্যটকৰ বাবে বন্ধ থাকিব। বাৰিষা আৰু বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উদ্যান কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। তথ্য অনুসৰি ২০২৫-২৬ পৰ্যটন বৰ্ষত উদ্যানখনলৈ ৪ লাখ ৬৮ হাজাৰৰো অধিক পৰ্যটকৰ আগমন হয়। এই বৰ্ষত বিদেশী পৰ্যটকৰ সংখ্যাও যথেষ্ট বৃদ্ধি হোৱা বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

০০০০০০০০০

বিশিষ্ট সাহিত্যিক, চিন্তাবিদ উপেন্দ্ৰ নাথ বৰকটকীক আজি অসম সাহিত্য সভাৰ ২০২৫-২৬ বৰ্ষৰ সভাপতিৰ বিশেষ সাহিত্য বঁটা প্ৰদান কৰা হয়। অসম সাহিত্য সভাৰ এটা সঁজাতি দলে  নগাঁৱত থকা সাহিত্যিকগৰাকীৰ বাসভৱনত এই বঁটা প্ৰদান কৰে। এই বঁটাত আছে গামোচা, ফুলাম জাপি, কিতাপৰ টোপোলা, স্মাৰক, সভাৰ প্ৰতীকপদ আৰু মানপত্ৰ।

০০০০০০০০০

বিটিচিৰ তামুলপুৰ জিলাৰ দৰঙ্গাজুলি পৰিষদীয় সমষ্টিৰ পাহাৰপুৰ গাঁৱৰ ৫০টা পৰিয়াললৈ বিটিচিৰ উপাধ্যক্ষ বিজিত গৌৰা নাৰ্জাৰীয়ে ৫ হাজাৰ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰে। ভাৰত-ভূটান সীমান্তৱৰ্তী এই অঞ্চলৰ একাংশ ৰাইজৰ আৰ্থিক দুৰাৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি উপাধ্যক্ষগৰাকীয়ে এই সাহায্য আগবঢ়ায়। ইয়াৰ লগতে ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ বসতিস্থল বৰকাজুলি আৰু শিমলুবাৰী গাঁৱৰ ঘৰে ঘৰে গৈ উপাধ্যক্ষগৰাকীয়ে ঈদৰ শুভেচ্ছা জনায়।

০০০০০০০০০

কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সীদ্দাৰামায়াই আজি লোকভৱনত ৰাজ্যপালৰ সচিবক আনুষ্ঠানিকভাৱে পদত্যাগপত্ৰ দাখিল কৰে। সংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তেওঁ আনুষ্ঠানিকভাৱে পদত্যাগ পত্ৰ দাখিল কৰাৰ কথা নিশ্চিত কৰে। শ্ৰী সীদ্দাৰামায়াই লগতে কয়, যে তেওঁ ৰাজ্যপালক ডি কে শিৱকুমাৰক মুখ্যমন্ত্ৰী পদবী গ্ৰহণৰ বাবে আমন্ত্ৰণ জনাবলৈ অনুৰোধ কৰে। কিয়নো শিৱকুমাৰে ১৩৬ গৰাকীৰো অধিক বিধায়কৰ সৰমৰ্থনেৰে বিধানসভাত নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। তেওঁ কয়, যে দলৰ শীৰ্ষ নেতৃত্বই তেওঁক ৰাজ্যসভাৰ আসনৰ বাবে প্ৰস্তাৱ দিছে যদিও তেওঁ এই প্ৰস্তাৱ প্ৰত্যাহাৰ কৰে। ৰাষ্ট্ৰীয় ৰাজনীতিৰ প্ৰতি আগ্ৰহী নহয় বুলি উল্লেখ কৰি তেওঁ কয়, যে  ৰাজ্যখনৰ জনসাধাৰণৰ বাবে তেওঁ সদায় কাম কৰি যাব। উল্লেখযোগ্য যে ২০২৩ চনৰ মে'ত কংগ্ৰেছে বিধানসভা নিৰ্বাচনত জয়লাভ কৰাৰ পাছত সীদ্দাৰামায়াই দ্বিতীয়বাৰৰ বাবে কৰ্ণাটকৰ মুখ্যমন্ত্ৰী হৈছে। ইয়াৰ পূৰ্বে তেওঁ ২০১৩ৰ পৰা ২০১৮ চনলৈ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। দুটা কাৰ্যকালত মুঠ ৮ বছৰ মুখ্যমন্ত্ৰীপদত কাৰ্যনিৰ্বাহ কৰা সীদ্দাৰামায়াই ৰাজ্যখনৰ এই পদবীত দীৰ্ঘকালৰ বাবে কাৰ্যনিৰ্বাহ কৰা ব্যক্তিৰূপে পৰিগণিত হৈছে। ইয়াৰ লগতে তেওঁ মুখ্যমন্ত্ৰী আৰু ইয়াৰ পূৰ্বে বিত্তমন্ত্ৰী হিচাপে ৰাজ্যখনত ১৭ বাৰ বাজেট উত্থাপন কৰিছে। আনহাতে ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰ কৰ্ণাটক কংগ্ৰেছৰ এগৰাকী জ্যেষ্ঠ নেতা। ২০২৩ চনৰ কৰ্ণাটক বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ বিজয়ত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

০০০০০০০০০

পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ উদ্যোগত গুৱাহাটীত কাইলৈ পঞ্চায়ত নেতৃত্বাধীন সেৱা প্ৰদান শীৰ্ষক এখন আঞ্চলিক কৰ্মশালাৰ আয়োজন কৰা হৈছে। কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী এছ পি সিং বাঘেল আৰু মন্ত্ৰী অতুল বৰাই এই কৰ্মশালাত উপস্থিত থকাৰ কথা। এই কৰ্মশালাত অসম, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, ওড়িশা, পঞ্জাব, ৰাজস্থান আৰু তেলেংগানাৰ পঞ্চায়তৰ বিষয়ববীয়া, নিৰ্বাচিত প্ৰতিনিধি, গাঁও পঞ্চায়তৰ উদ্যোগীসকলকে ধৰি ৰাজ্য চৰকাৰৰ বিষয়াসকল উপস্থিত থাকিব। ৰাজ্যসমূহৰ শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী গাঁও পঞ্চায়ত আৰু চেম্পিয়ন কমন চাৰ্ভিচ চেণ্টাৰক এই কৰ্মশালাত সম্বৰ্ধনা জনোৱা হ'ব। ডিজিটেল ৰূপান্তৰ জৰিয়তে পঞ্চায়ত নেতৃত্বাধীন সেৱা প্ৰদান শক্তিশালী কৰা, নাগৰিকৰ অংশগ্ৰহণ, উদ্ভাৱন, বহুভাষিক প্ৰশাসন আৰু তৃণমূল পৰ্যায়ত ৰাজহুৱা সেৱা উন্নত কৰাৰ বিষয়ে কৰ্মশালাত আলোচনা কৰা হ'ব।

০০০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত কাইলৈৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কম্পাৰ্টমেণ্টেল পৰীক্ষাসমূহ অনুষ্ঠিত হ'ব। অহা ৫ জুনলৈ চলিবলগীয়া এই পৰীক্ষাত এইবেলি ৬৪ হাজাৰ ৫০ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। পৰিষদৰ সচিব নৰনাৰায়ণ নাথে জনোৱা অনুসৰি ৰাজ্যৰ মুঠ ১১৬টা কেন্দ্ৰত কাইলৈৰ পৰা কম্পাৰ্টমেণ্টেল পৰীক্ষা আৰম্ভ হ'ব। পৰীক্ষা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে বিভিন্ন জিলাৰ প্ৰশাসনে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে।

০০০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ পাছতে বন বিভাগ আৰু জিলা প্ৰশাসনে গোলাঘাট জিলাৰ মেৰাপানীৰ ২ নম্বৰ নেঘেৰিবিল আৰু উৰিয়ামঘাটত পুনৰ উচ্ছেদৰ প্ৰস্তুতি আৰম্ভ কৰিছে। বন বিভাগে জনোৱা মতে ২ নম্বৰ নেঘেৰিবিলৰ ৫৭টা আৰু উৰিয়ামঘাটৰ ১১টা পৰিয়ালক অহা মাহৰ প্ৰথম ভাগতে উচ্ছেদ কৰা হ'ব। উচ্ছেদৰ সম্ভাৱনাক কেন্দ্ৰ কৰি হ'ব পৰা উদ্বেগজনক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অঞ্চল দুটাত ব্যাপক নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। আজি ৰাজ্যৰ বন বিভাগৰ বিশেষ মুখ্য সচিব এম কে যাদৱে দুয়োটা অঞ্চল পৰিদৰ্শন কৰে। তেওঁৰ সৈতে জিলা আয়ুক্ত পূবালী গোহাঁই আৰু চি আৰ পি এফৰ বিষয়াবৰ্গও আছিল।

০০০০০০০০০

গুৱাহাটীৰ হাতীগাঁও আৰক্ষীয়ে অপহৰণ আৰু ধন দাবীৰ অভিযোগত আজি চাৰিজন লোকক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীয়ে দৰং জিলাৰ ছিপাঝাৰত অভিযান চলাই লোককেইজনক গ্ৰেপ্তাৰ কৰে। ইয়াৰ লগতে আৰক্ষীৰ দলটোৱে নাছিৰ আহমেদ নামৰ এজন অপহৃত লোকক সুকলমে উদ্ধাৰ কৰে। উল্লেখযোগ্য যে, নাছিৰ আহমেদক যোৱা ২৬ মে'ত দুৰ্বৃত্তৰ দলে অপহৰণ কৰি ৫লাখ টকাৰ মুক্তিপণ দাবী কৰিছিল। এই সন্দৰ্ভত পৰিয়ালৰ লোকে দিয়া এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই দুৰ্বৃত্তৰ দলটোক কৰায়ত্ত কৰে। অপহৰণকাণ্ডৰ সৈতে জড়িত আন এজন অভিযুক্ত বৰ্তমান পলাতক হৈ আছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে। ঘটনাৰ সন্দৰ্ভত হাতীগাঁও থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আনজাত ব্ৰহ্মাই এইদৰে কয়-

-বাইট-

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩১ মে'ত আকাশবাণী যোগে প্ৰচাৰিত **মন কী বাত** অনুষ্ঠানত দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড। জনসাধাৰণে এই অনুষ্ঠানৰ বাবে ট'লফ্ৰী নম্বৰ ১৮০০-১১-৭৮০০ ত ফোন কৰি তেওঁলোকৰ মনৰ ভাব প্ৰকাশ কৰাৰ লগতে পৰামৰ্শ আগবঢ়াব পাৰিব। জনসাধাৰণে নৰেন্দ্ৰ মোদী এপ অথবা মাইগভ মুকলি মঞ্চৰ জৰিয়তেও দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। জনসাধাৰণে ১৯২২ নম্বৰত মিছকল দি লাভ কৰা এছ এম এছ লিংকত ক্লিক কৰিও প্ৰধানমন্ত্ৰীলৈ প্ৰত্যক্ষভাৱে দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। মন কী বাতৰ এই খণ্ডৰ বাবে ২৯ মে'লৈকে মতামত আৰু দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব।

০০০০০০০০০

ধেমাজি আৰক্ষীয়ে বন্যপ্ৰাণী সৰবৰাহকাৰীৰ বিৰুদ্ধে অভিযান চলাই জিলাখনৰ গোগামুখৰ পৰা দুষ্প্ৰাপ্য কেঁকোসাপসহ ৪ জন সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে আটক কৰা সৰবৰাহকাৰী কেইজন হৈছে ধেমাজিৰ মনোজ বৰুৱা, গোগামুখৰ সোণাৰাম বসুমতাৰী, ডিব্ৰুগড়ৰ মহেশ পানিকা আৰু অৰুণাচল প্ৰদেশৰ সুনেণ্টে চাকমা। ধৃত সৰবৰাহকাৰী কেইজনে বহিঃৰাজ্যলৈ এখন বাহনেৰে কেঁকোসাপ সৰবৰাহৰ সময়তে আৰক্ষীয়ে অভিযুক্ত কেইজনক আটক কৰাৰ লগতে কেঁকোসাপ উদ্ধাৰ কৰে। ধেমাজি জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ তত্বাৱধানত বৰদলনি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু উপ-পৰিদৰ্শকৰ নেতৃত্বত এই অভিযান চলোৱা হয়। আৰক্ষীয়ে ধৃত লোককেইজনৰ বিৰুদ্ধে গোগামুখ আৰক্ষী থানাত গোচৰ ৰুজু কৰি আইনী ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত নিউ চণ্ডীগড়ত কাইলৈ দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। এই খেলখনৰ বিজয় দলটোৱে অহা দেওবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত হ'বলগীয়া খিতাপ দখলৰ যুঁজত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব।

০০০০০০০০০

সমাপ্ত